**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::**

১।    চলিত বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আজি আৰম্ভ।

২।    ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীলৈ বিনামূলীয়া জীৱন বীমা আৰু দুৰ্ঘটনা বীমাৰ সুবিধা- বিত্তমন্ত্ৰী অজন্তা নেওগৰ ঘোষণা।

৩।    অসম তথা উত্তৰ পূৰ্বাঞ্চললৈ কেন্দ্ৰীয় বাজেটত ২০ শতাংশ আবণ্টন বৃদ্ধি- কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৪।    আজি বিশ্ব ৰেডিঅ' দিৱস। আকাশবাণীৰ গুৱাহাটীৰ বিশেষ কাৰ্যসূচী।

**আৰু**

৫।    পশ্চিমবংগৰ বোলপুৰৰ ৪৪ সংখ্যক ৰাষ্ট্ৰীয় আৰ্চাৰী প্ৰতিযোগিতাত অসমৰ বিশাল চাংমাৰ স্বৰ্ণ পদক।

ooooo

ৰাজ্যত ৮৫৬টা পৰীক্ষা কেন্দ্ৰত আজিৰে পৰা চলিত বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত ১ লাখ ৪৪ হাজাৰ ৫০২ গৰাকী ছাত্ৰ আৰু ১ লাখ ৬২ হাজাৰ ৪২৩ গৰাকী ছাত্ৰী আছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নৰনাৰায়ণ নাথে প্ৰকাশ কৰা অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাত ২ লাখ ৩০ হাজাৰ ৯১গৰাকী, বিজ্ঞান শাখাত ৫৭ হাজাৰ ৭২৪ গৰাকী, বাণিজ্য শাখাত ১৭ হাজাৰ ৮৬৯ গৰাকী আৰু বৃত্তিমূলক শিক্ষাত এহেজাৰ ২৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ সৰ্বাধিক সংখ্যক পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। সচিবগৰাকীয়ে কয়, যে পৰীক্ষা সমাপ্ত হোৱাৰ পাছত ৰাজ্যৰ মুঠ ৪৫টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহীৰ মূল্যায়ন কৰা হ'ব।

ইপিনে, অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যত ৯৪৪টা পৰীক্ষা কেন্দ্ৰত মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২ টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব।

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শুভেচ্ছা জ্ঞাপন কৰিছে।

উল্লেখযোগ্য যে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াক লৈ ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি আৰু জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰিছে। পৰিষদে ইতিমধ্যে জিলা সমূহলৈ প্ৰেৰণ কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলক তন্ন তন্নকৈ পৰীক্ষা কৰা হ'ব। পৰীক্ষা সময়ত ইণ্টাৰনেট ব্যৱস্থা বাহাল থকাৰ পৰিপ্ৰেক্ষিতত নিৰীক্ষক, তৃতীয় আৰু চতুৰ্থবৰ্গ কৰ্মচাৰীয়ে মোবাইল ফোন ব্যৱহাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ooooo

ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলে বিনামূলীয়া জীৱন বীমা আৰু দুৰ্ঘটনা বীমা লাভ কৰিব বুলি কালি বিত্তমন্ত্ৰী অজন্তা নেওগে ঘোষণা কৰে। দীৰ্ঘদিনৰ পৰা সদৌ অসম কৰ্মচাৰী সন্থা আৰু আন কেইবাটাও কৰ্মচাৰী সন্থাই ৰাজ্য চৰকাৰৰ ওচৰত কৰ্মচাৰীৰ জীৱন বীমা আৰু দুৰ্ঘটনা বীমাৰ দাবী উত্থাপন কৰি আহিছিল। শেহতীয়াভাৱে কৰ্মচাৰী পৰিষদৰ সৈতে হোৱা বৈঠকত ৰাজ্য চৰকাৰে ৰাজ্যিক কৰ্মচাৰীসকলক বিনামূলীয়া জীৱন বীমা আৰু দুৰ্ঘটনা বীমা প্ৰদানৰো আশ্বাস দিছিল। ৰাজ্যৰ বিত্ত বিভাগে ৰাজ্যিক কৰ্মচাৰীসকলৰ জীৱন বীমা আৰু দুৰ্ঘটনা বীমা নিশ্চিত কৰাৰ বাবে কালি কেইবাটাও আগশাৰীৰ বেংকৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। জীৱন বীমাৰ অধীনত প্ৰতিগৰাকী নিয়মীয়া কৰ্মচাৰীয়ে ১০ লাখ টকা পৰ্যন্ত লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইপিনে দুৰ্ঘটনা বীমাৰ ক্ষেত্ৰত কোনো কৰ্মচাৰীৰ দুৰ্ঘটনাত মৃত্যু হ'লে বা দুৰ্ঘটনাত পতিত হৈ সম্পূৰ্ণভাৱে অক্ষম হ'লে ১ কোটি টকা আৰু দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হ'লে ৮০ লাখ টকা লাভ কৰিব। বিমান দুৰ্ঘটনাত মৃত্যু হ'লে কৰ্মচাৰীৰ পৰিয়ালে ২ কোটি টকা লাভ কৰিব। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ছেপ্তেম্বৰ মাহত চৰকাৰী কৰ্মচাৰীসকলৰ বাবে নিৰ্ধাৰিত ব্যাপক জীৱন বীমা আঁচনিৰ চৰকাৰে অনুমোদন জনাইছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি প্ৰতিগৰাকী ৰাজ্যিক কৰ্মচাৰীৰ দৰমহাৰ ওপৰত ভিত্তিত কৰি বিনামূলীয়া এই জীৱন বীমাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ  বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ বাবে ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ উপ-প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গেন কিম য়ঙক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে উদ্ভাৱনমুখী অৰ্থনীতি, ছেমিকণ্ডাক্টৰ, দক্ষতা আৰু সেউজ শক্তিৰ সহযোগিতাৰ জৰিয়তে ভাৰত-এছিয়ান কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে অসম আৰু ছিংগাপুৰৰ মাজত থকা সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত উপ-প্ৰধানমন্ত্ৰীগৰাকীৰ দায়বদ্ধতাৰ শলাগ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি পুৱা ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ মূল অংশীদৰসকলৰ সৈতেও এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত অংশগ্ৰহণ কৰা টাটা ইলেকট্ৰনিক্স, ফুজি মেচিন মেনুফেক্সাৰিং, কিচাইট টেক, ইকো ছফট্, ছিংগাপুৰ বিজনেচ ফেডাৰেশ্বন আৰু ইণ্ডিয়ান এছিয়ান গোটৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'তো অংশ লয়। ২০০তকৈও অধিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা এই ৰোড শ্ব'ত বিনিয়োগকাৰীসকলে ভাৰতৰ অৰ্থনৈতিক সম্ভাৱনাৰ ক্ষেত্ৰত অসমৰ ভূমিকাক লৈ আগ্ৰহ প্ৰকাশ কৰে। ছিংগাপুৰত বসবাস কৰা

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে একাংশ ভাৰতীয় লোকক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী শৰ্মাই তেওঁলোকৰ সৈতে মত বিনিময় কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চললৈ বাজেটত আবণ্টন ২০ শতাংশ বৃদ্ধি কৰিছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। কালি ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত এখন সংবাদ মেলত মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০২৫-২৬ বৰ্ষত উত্তৰ পূৰ্বাঞ্চলৰ বাবে মূলধনী ব্যয় ২৫৬ দশমিক ৭-৭ বিলিয়নৰ পৰা ২৭৯ দশমিক ৮-০ বিলিয়নলৈ বৃদ্ধি কৰা হৈছে। এই বৰ্দ্ধিত বাজেটে সমগ্ৰ অঞ্চলটোৰ আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন নিশ্চিত কৰিব বুলি শ্ৰীসোণোৱালে আশা প্ৰকাশ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰগতিৰ মূল চালিকা শক্তি হিচাপে আন্তঃগাঁথনি উন্নয়নত বিশেষ গুৰুত্ব দিছে। এই প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে অসমত ২৭ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ জৰিয়তে অভূতপূৰ্ব বিনিয়োগ, ঔদ্যোগিক বিকাশ তথা শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। যোগীঘোপাৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় মাল্টিমডেল লজিষ্টিক পাৰ্ক, গুৱাহাটীস্থিত উত্তৰ-পূব ভাৰতৰ প্ৰথম ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰকে ধৰি কেইবাটাও প্ৰকল্পই কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছাকে প্ৰতিফলিত কৰে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এই উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি সন্ধিয়া ৬ বজাত গুৱাহাটীৰ চানমাৰিত থকা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত আকাশী লহৰ শীৰ্ষক এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত বিশ্ব অনাতাঁৰ দিৱসৰ এই বছৰৰ প্ৰতিপাদ্য বিষয় "ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন" বিষয়ত বক্তৃতা প্ৰদান কৰিব ড০ অৰনী কুমাৰ ভাগৱতীয়ে।

নগাঁওৰ মধ্য অসম ৰেডিঅ ' শ্ৰোতা সংঘই আজি বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব। দিৱসৰ অংশ হিচাপে ৰূপহী মহাবিদ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰিছে। এই সন্দৰ্ভত মধ্য অসম শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথে এইদৰে কয়-

**বাইট**

এইবাৰ প্ৰয়াত শিল্পী দিগেন মহন্ত , বাউলী কবি কমলা নন্দ ভট্টাচাৰ্য আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত ৰেডিঅ’ চেট বিতৰণ কৰা হ'ব। কালি এই দিৱসৰ অংশ হিচাপে সংঘই ৰহাত চাইকেলেৰে বিশ্ব ৰেডিঅ' দিৱসৰ প্ৰচাৰ চলায়।

০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰেৰে যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে মাজুলীৰ বিধায়ক ভূৱন গামলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। পৰৱৰ্তী ৩ মাহৰ ভিতৰত দলংখনৰ নিৰ্মাণৰ কাম পুনৰ আৰম্ভ হ'ব বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। বিগত বৰ্ষৰ ২৫ নৱেম্বৰ দলংখনৰ নিৰ্মাণকাৰ্য বন্ধ হৈ থকা সন্দৰ্ভত মাজুলীৰ স্থানীয় বিধায়ক ভূৱন গামে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীক সাক্ষাৎ কৰিছিল। অসম লোকনিৰ্মাণ বিভাগক দলংখনৰ বাকী থকা কামৰ বাবে আনুমানিক ব্যয়ৰ হিচাপ দাখিল কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিছিল। কেন্দ্ৰীয় মন্ত্ৰীৰ নিৰ্দেশমৰ্মে লোকনিৰ্মাণ বিভাগে ২০২৪ চনৰ ২৩ ডিচেম্বৰত আনুমানিক ব্যয়ৰ হিচাপ দাখিল কৰিছিল। বিভাগে দাখিল কৰা আনুমানিক ব্যয়ৰ হিচাপ পৰীক্ষা কৰি চলিত মাহত নতুনকৈ অনুমোদন জনোৱাৰ সম্ভাৱনা আছে। ২০২৬ চনৰ ভিতৰত এই দলঙৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

ooooo

অসম আৰক্ষীয়ে মুম্বাইৰ পাঁচগৰাকী ইউটিউবাৰ আৰু ছ'চিয়েল মিডিয়া ইনফ্লুয়েঞ্চাৰক চাৰি দিনৰ ভিতৰত গুৱাহাটীত উপস্থিত হোৱাৰ বাবে জাননী জাৰি কৰিছে। মুম্বাইলৈ যোৱা অসম আৰক্ষীৰ অপৰাধ শাখাৰ এটা দলে কালি ইউটিউবাৰ আচিছ চঞ্চলানি, যশপ্ৰীত সিং, অপূৰ্ব মাখিজা, ৰণবীৰ এলাহাবাদীয়া, সময় ৰাইনালৈ এই জাননী জাৰি কৰে। সামাজিক মাধ্যমত আপত্তিজনক বিষয় উত্থাপন আৰু অশালীন আলোচনাত লিপ্ত হোৱাৰ অভিযোগত এই লোককেইজনৰ বিৰুদ্ধে ইতিপূৰ্বে অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰিছিল। একাংশ ইউটিউবাৰ আৰু ছোচিয়েল মিডিয়া ইনফ্লুয়েঞ্চাৰে ৰাজ্যখনক লৈ কৰা বিৰূপ মন্তব্য মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছতেই মুখ্যমন্ত্ৰীয়েও সমগ্ৰ বিষয়টোৰ তদন্তৰ নিৰ্দেশ দিছিল। এই অনুসৰি অসম আৰক্ষীৰ এটা দল মুম্বাইলৈ ৰাওনা হোৱাৰ পাছত ইউটিউবাৰ কেইগৰাকীক গুৱাহাটীত উপস্থিত হ'বলৈ চমন জাৰি কৰে। মহিলা আয়োগেও অহা ১৭ ফেব্ৰুৱাৰীত এই লোককেইজনক গুৱাহাটীৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ তলব কৰিছে।

ইয়াৰ আগেয়ে যোৱা মঙলবাৰে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই মুম্বাইৰ ছোচিয়েল মিডিয়া ইনফ্লুয়েঞ্চাৰ অভিষেক কৰক সামাজিক মাধ্যমত অসম সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত গুৱাহাটীত জেৰা কৰিছিল।

ooooo

উচ্চতম ন্যায়ালয়ে ৰোহিংগীয়া শৰণাৰ্থীসকলৰ সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ বৈষম্য কৰা নহ'ব বুলি স্পষ্ট কৰি দিছে। অৱশ্যে শিশুসকলক সকাহ দিয়াৰ বাবে শীৰ্ষ ন্যায়ালয়ে তেওঁলোকৰ পৰিয়ালৰ আবাসিক প্ৰমাণ বিচাৰিছে।

ন্যায়াধীশ সূৰ্যকান্ত আৰু এন কোটিশ্বৰ সিঙক লৈ গঠিত এখন বিচাৰপীঠে কালি ৰোহিংগীয়া শৰণাৰ্থীসকলক বিদ্যালয়ত নামভৰ্তি আৰু চৰকাৰী আঁচনিৰ লাভ প্ৰদানৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজনিত আবেদনৰ শুনানি গ্ৰহণ কৰি ৰোহিংগীয়া শিশুসকলৰ আবাসিক প্ৰমাণৰ সবিশেষ বিচাৰে।

ooooo

গৌৰৱ গগৈৰ পত্নী আই এছ আইৰে জড়িত বুলি উত্থাপিত অভিযোগ, ছিংগাপুৰত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাৰ ৰোড শ্ব', বিনামূলীয়া ৰেছন-নগদ ধনক লৈ উচ্চতম ন্যায়ালয়ে কৰা চৰকাৰ ভৰ্ৎসনা কৰাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে।

দৈনিক অসম কাকতে উচ্চতম ন্যায়ালয়ে শাসনাধিস্থিত আৰু বিৰোধী দলসমূহৰ হিতাধিকাৰী সৃষ্টি নীতিক ভৰ্ৎসনা কৰাৰ বাতৰিক পৰজীৱি, নিষ্কৰ্মাৰ সৃষ্টি কৰিছে চৰকাৰে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰি আন কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে ৰাজ্যত শীঘ্ৰেই ৪০০গৰাকী চিকিৎসকৰ নিযুক্তিৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। নিয়মীয়া বাৰ্তা কাকতে গৌৰৱ গগৈৰ পত্নী আই এছ আইৰে জড়িত বুলি উত্থাপিত অভিযোগৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিয়ে আন কেইবাখনো কাকতৰ প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে স্থান লাভ কৰা দেখা গৈছে। অসমীয়া প্ৰতিদিন কাকতে কোচ-ৰাজবংশীৰ জনজাতিকৰণৰ বাবে বিধেয়ক অনা হ'ব বুলি এটা বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় বাজেটত উত্তৰ পূৰ্বাঞ্চলৰ বাবে আবণ্টিত ধনৰ পৰিমাণ এহেজাৰ ৫৮ বিলিয়নলৈ বৃদ্ধি পোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰি অসমীয়া প্ৰতিদিন, আমাৰ অসম আদি কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে সবাতোকৈ দুৰ্নীতিগ্ৰস্ত দেশৰ শীৰ্ষত ভাৰত শিৰোনামেৰে এটা নেতিবাচক বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। দি চেণ্টিনেল কাকতে দিল্লীৰ এখন আদালতে ১৯৮৪ চনৰ শিখ বিৰোধী সংঘৰ্ষৰ সময়ত সৰস্বতী বিহাৰত পিতৃ-পুত্ৰৰ হত্যা সংক্ৰান্তত কংগ্ৰেছ সাংসদ সজ্জন কুমাৰক দোষী সাব্যস্ত কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দ্য আছাম ট্ৰিবিউন কাকতে প্ৰধানমন্ত্ৰী মোদীয়ে ফ্ৰান্স ভ্ৰমণ সামৰি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ ৰাওনা হোৱাৰ বাতৰিক সবিস্তাৰে প্ৰকাশ কৰিছে।

ooooo

স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে কালি জনতা ভৱনত ৰাজ্যৰ বিভিন্ন চৰকাৰী চিকিৎসালয়ত ৪০০ গৰাকী নতুন চিকিৎসক নিযুক্তিৰ বাবে অতি শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ অভিযানত ৰাজ্যৰ অগ্ৰগতি সন্দৰ্ভত স্বাস্থ্য বিভাগৰ শীৰ্ষ আমোলা বিষয়াৰ সৈতে এখন বিশেষ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত স্বাস্থ্য সেৱা অধিক সূচল আৰু স্বাস্থ্য আন্তঃগাঁথনি অধিক সৱল কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে ৪০০ গৰাকী নতুন চিকিৎসকক নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ অভিযানৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে ২২ হাজাৰ চৰকাৰী বিদ্যালয়ত স্বাস্থ্য বিভাগে শিশুৰ পেলু নিৰ্মূলৰ বাবে ঔষধ প্ৰদান কৰিছে। অহা ১৭ ফেব্ৰুৱাৰীলৈকে এই অভিযান চলিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সমগ্ৰ অভিযানত ডেৰ লাখ চৰকাৰী শিক্ষক, কৰ্মচাৰী আৰু অঙ্গনবাড়ী কৰ্মীয়ে সেৱা আগবঢ়াইছে। ৪৩ লাখ মানুহক শেহতীয়াকৈ যক্ষ্মা ৰোগৰ পৰীক্ষা কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

ooooo

চলিত বৰ্ষত দীপৰ বিললৈ পৰিভ্ৰমী চৰাইৰ আগমন বৃদ্ধি পাইছে। এই বছৰত দীপৰ বিলত হোৱা পক্ষী গণনা তথ্য অনুসৰি ১৬১টা প্ৰজাতিৰ মুঠ ১৭ হাজাৰ ৬২৩টা চৰাই বিলখনত দেখা গৈছে। স্বেচ্ছাসেৱী সংস্থা দীপৰ বিল সুৰক্ষা মঞ্চই এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁলোকে উল্লেখ কৰা মতে ২০২৩-২৪ বৰ্ষত বিলখনলৈ ১৫৫টা প্ৰজাতিৰ ১১ হাজাৰ ২৭১টা চৰাই আহিছিল। এটা গৱেষণা সংস্থাৰ সমীক্ষাতো এই বিষয়ে প্ৰকাশ পাইছে। এই সমীক্ষা অনুসৰি বিগত তিনি বছৰত বিলখনলৈ পাঁচটা বিৰল প্ৰজতিৰ চৰাই অহাৰ তথ্য পোৱা গৈছে। কেইবাখনো শিক্ষানুষ্ঠান আৰু স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত এই সমীক্ষা চলোৱা হৈছিল।

০০০০

পশ্চিমবংগৰ বোলপুৰত চলি থকা ৪৪ সংখ্যক ৰাষ্ট্ৰীয় আৰ্চাৰী প্ৰতিযোগিতাত অসমৰ বিশাল চাংমাৰ স্বৰ্ণ পদক অৰ্জন কৰিছে। পুৰুষ ৰিকাৰ্ভৰ অলিম্পিক ৰাউণ্ডৰ ব্যক্তিগত শাখাত কালি বিশালে স্বৰ্ণ পদক জয় কৰে। ১৭ ফেব্ৰুৱাৰীত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি অনুষ্ঠিত তৃতীয় তথা অন্তিমখন খেলত ভাৰতে আলহী দলটোক ১৪২ ৰানত পৰাজিত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩৫৬ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ শুভমন গীলে সৰ্বাধিক ১১২ ৰাণৰ অৱদান আগবঢ়ায়। শ্ৰেয়াছ আয়াৰে ৭৮ আৰু বিৰাট কোহলীয়ে ৫২ ৰাণ কৰে। ইংলেণ্ডৰ হৈ আদিল ৰাছিদে ৪ টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ইংলেণ্ড ৩৪ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২১৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচলত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

০০০০০

সমাপ্ত